2016

ASSAMESE

(Major)

Paper : 3.2

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

তলৰ যি কোনো এটা শাখাৰ উত্তৰ দিয়া

ক—শাখা

(শঙ্কৰদেৱ)

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অজামিলৰ কেইজন পুত্ৰ আছিল ?

(খ) 'অজামিল উপাখ্যান'ৰ উৎস গ্ৰন্থ কি ?

(গ) শুকে কাৰ আগত প্ৰহ্লাদৰ চৰিত বৰ্ণনা কৰিছে ?

(ঘ) 'ভাগৱত'ৰ কোন স্কন্ধৰ পৰা শঙ্কৰদেৱে 'ৰাসক্রীড়া'ৰ কাহিনীভাগ গ্রহণ কৰিছে ?

(ঙ) ৰুক্মিণীৰ ককায়েকৰ নাম কি ?

(চ) বেজবৰুৱাই শঙ্কৰদেৱৰ কোনখন গ্রন্থক ''অসমীয়া মতা মানুহৰ কাণৰ লংকেৰু, হাতৰ গামখাৰু, আঙুলিৰ বাখৰপতোৱা আঙ্গঠি আৰু তিৰোতাৰ ডিঙিৰ কোটমণি, গলপতা আৰু সাতসৰী হাৰ'' বুলি অভিহিত কৰিছে ?

(ছ) ৰামচৰণ ঠাকুৰ ৰচিত 'গুৰুচৰিত'ৰ মতে শঙ্কৰদেৱে প্রথমটো ৰৰগীত ক'ত ৰচনা কৰিছিল ?

(জ) 'মধুৰ মুকুতি মুৰাৰু' কি বিষয়ক ৰৰগীত ?

(ঝ) নাটকীয় কলা-কৌশলৰ দিশত শঙ্কৰদেৱৰ কোনখন নাটকক শ্রেষ্ঠ বুলি বিৱেচনা কৰা হয় ?

(ঞ) নৰকাসুৰক বধ কৰি শ্রীকৃষ্ণই কাক প্রাগজ্যোতিষপুৰৰ সিংহাসনত বহুৱাইছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'পাৰিজাত হৰণ' নাটকত প্রথমে কোনে আনি, কাক পাৰিজাত ফুল উপহাৰ দিছিল ?

(খ) শ্রীকৃষ্ণই কুণ্ডিলনৈ কৰা যাত্রাপথত কোন ৰজাৰ, কোনখন ৰাজ্যত আতিথ্য গ্রহণ কৰিছিল ?

(গ) 'সুন সুন ৰে সুৰৰৈৰী' শীর্ষক ৰৰগীতটো কি ৰাগত বন্ধা আৰু ইয়াত 'সুৰৰৈৰী' বুলি কাক কোৱা হৈছে ?

(ঘ) অজামিল জাতত কি আছিল আৰু তেওঁৰ ভার্যা কোন আছিল ?

(ঙ) ষণ্ডামর্ক কাৰ তনয় ? তেওঁলোকে প্রহ্লাদক কি শাস্ত্র পঢ়াইছিল ?

৩। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) বেজবৰুৱাই শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ কাব্য' সম্পর্কত দাঙি ধৰা—''ই শঙ্কৰদেৱৰ অমৃতময় লেখনীৰ অমৃতৰ ধাৰ'' শীর্ষক অভিমতৰ তাৎপর্য ব্যাখ্যা কৰা।

(খ) যমদূতৰ হাতৰ পৰা কোনে আৰু কিয় মহাপাপী অজামিলক ৰক্ষা কৰিলে, বুজাই লিখা।

(গ) ৰাসক্রীড়াৰ মূল তাৎপর্য কি, আলোচনা কৰা।

(ঘ) হিৰণ্যকশিপুই কেনেদৰে তপস্যা কৰি ব্রহ্মাৰ পৰা বৰ লাভ কৰিছিল, বর্ণনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটত ৰীৰৰসে কিদৰে প্রাধান্য বিস্তাৰ কৰিছে, বিৱৰি লিখা।

(চ) 'গোপালে কি গতি কৈলে ...' শীর্ষক ৰৰগীতটোৰ ভাৱার্থ বহলাই লিখা।

(ছ) 'ৰৰগীত' নামৰ তাৎপর্য ব্যাখ্যা কৰা।

৪। (ক) 'কীর্ত্তন-ঘোষা'ত ফুটি উঠা কাব্য-সৌন্দর্য তোমাৰ পাঠ্যক্রমৰ অন্তর্গত খণ্ডকেইটাৰ আলমত বিচাৰ কৰা। ১০

অথবা

(খ) 'কীর্ত্তন-ঘোষা'ত নবিধ ভক্তিৰ ভিতৰত শ্রৱণ-কীর্ত্তনক প্রধান স্থান দিয়াৰ তাৎপর্য ব্যাখ্যা কৰা। ১০

৫। (ক) ৰৰগীতৰ ৰাগ আৰু তাল সম্পর্কে এটি নিবন্ধ যুগুত কৰা। ১০

অথবা

(খ) ৰৰগীতসমূহত ওখ নৈতিক আৰু আধ্যাত্মিক ভাব কিদৰে প্রতিফলিত হৈছে, শঙ্কৰদেৱ বিৰচিত ৰৰগীতকেইটাৰ আলমত বিচাৰ কৰা। ১০

৬। তলৰ যি কোনো দুটা প্রশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) অংকীয়া নাটত সূত্রধাৰৰ ভূমিকা সম্পর্কে বহলাই আলোচনা কৰা।

(খ) শঙ্কৰদেৱে 'পাৰিজাত হৰণ' নাটৰ চৰিত্র সৃষ্টিৰ ক্ষেত্রত দেখুওৱা বিচক্ষণতা সম্পর্কে ফঁহিয়াই আলোচনা কৰা।

(গ) শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ কাব্য'ত 'হৰিবংশ', 'ভাগৱত পুৰাণ' আৰু কবিৰ মৌলিক সৃষ্টিৰ কিদৰে সংমিশ্রণ ঘটিছে, উদাহৰণসহ বুজাই লিখা।

খ—শাখা

(লক্ষ্মীনাথ বেজবৰুৱা)

১। তলৰ প্রশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) সিধাই খাটনিয়াৰৰ ভায়েকৰ নাম কি?

(খ) বেজবৰুৱাৰ 'সুৰভি' পোনতে কোন চনত প্রকাশ হৈছিল?

(গ) 'লাওখোলা' গল্পত উল্লিখিত লাওখোলাটো ক'ত উদ্ধাৰ হৈছিল?

(ঘ) 'স্বর্গাৰোহণ' গল্পত উল্লিখিত 'প্রেমৰ বাতৰি' শীর্ষক ছবিখন কি ছবিৰ আর্হিত আঁকা?

(ঙ) 'চোৰ' গল্পটোৰ চোৰজনৰ প্রকৃত নাম কি?

(চ) উৰিষ্যাৰ ঠগ পাণ্ডাজনে বাঁৰীৰ জীয়েকক ফুচুলাই আনি ক'ত বিক্রী কৰি গৈছিল?

(ছ) বেজবৰুৱাৰ 'প্রেমৰ সৌন্দর্য' কবিতাটো কোনখন কাব্য সংকলনৰ অন্তর্গত?

(জ) কোৱাভাতুবীয়া ওঁঠৰ তলত কি শুই থাকে ?

(ঝ) 'কৃপাবৰ বৰুৱাৰ ওভতনি' প্ৰথমে কেতিয়া প্ৰকাশ হৈছিল ?

(ঞ) ৰবৰবকৱাৰ ওচৰত ভাৰত উদ্ধাৰৰ কিমানটা 'প্লেন' আছে ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বসন্ত'ত উল্লেখ কৰা বলিয়া মাহ দুটা কি কি ?

(খ) বেজবৰুৱাৰ কবিতা সংকলন দুখনৰ নাম লিখা।

(গ) বেজবৰুৱাই 'ভ্ৰম' কবিতাটোত কি অলংকাৰে প্ৰাধান্য লাভ কৰিছে ? এটা উদাহৰণ দিয়া।

(ঘ) 'ভুকুকী বৌ' গল্পত উল্লিখিত দুটা বাঙালী চৰিত্ৰৰ নাম লিখা।

(ঙ) ''পুৱা-গধূলিৰ আহৰি কালটো মই কন্যাৰ পাৰত কটাওঁ। ৰৰ ভাল লাগে। ঘাইকৈ তাত মোৰ দুটা সকাম।'' এই সকাম দুটা কি কি ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰৰবৰুৱাই ট্ৰেমগাড়ীত ভ্ৰমণ কৰা সময়ত বাবু এজনে 'ফিবিঙ্গী' শব্দটো সৃষ্টি হোৱাৰ ইতিহাস কি বুলি ব্যাখ্যা কৰিছিল, বৰ্ণনা কৰা।

(খ) 'অৱতাৰ' আৰু 'ভাৰত উদ্ধাৰ' প্ৰবন্ধ দুটাৰ মাজেৰে কৃপাবৰৰ সংস্কাৰকামী চেতনা কেনেদৰে প্ৰকাশ পাইছে, বিৱৰি লিখা।

(গ) 'বীণ আৰু ব'বাগী' কবিতাত কবিৰ স্বদেশপ্ৰেম কেনেদৰে ব্যঞ্জিত হৈছে, লিখা।

(ঘ) কবি বেজবৰুৱাৰ ৰোমাণ্টিক প্ৰেমভাবনা 'মালতী' কবিতাত কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঙ) কলিকতাৰ চহকী গৃহস্থৰ 'বসতাবাড়ী' আৰু 'বাগানবাড়ী' কি ? বুজাই লিখা।

(চ) 'স্বৰ্গাৰোহণ' গল্পৰ কাহিনীভাগ বৰ্ণনা কৰা।

৪। (ক) ভগৱান দাস বাবাজী কোন ? 'গীতা'ৰ শ্লোক শুনি তেওঁ কিয় কান্দিছিল, বিৱৰি লিখা। ১০

অথবা

(খ) নীলাম্বৰ শৰ্মাই চেঙেলিয়া বয়সত মাধৈ মালতীক কি বিপদৰ পৰা ৰক্ষা কৰা বাবে তাই তেওঁৰ ধাৰ শুজিব নোৱাৰে বুলি চিঠি লিখি জনাইছিল, বিতংকৈ লিখা। ১০

৫। (ক) 'জয়ন্তী' গল্পত জয়ন্তীৰ সাহসিকতা আৰু দাম্পত্য প্ৰেমৰ ছবি কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা। ১০

অথবা

(খ) বেজবৰুৱাৰ গল্পত প্ৰতিফলিত সমাজজীৱনৰ ছবি 'সাধু কথাৰ কুকি'ৰ গল্পসমূহৰ আধাৰত উপস্থাপন কৰা। ১০

৬। (ক) ''সৰল দেশপ্ৰেম আৰু এটি গভীৰ আধ্যাত্মিক সুৰ—এই দুয়ে তেওঁৰ কবিতাৰ দুটি দিশ নিৰ্ণয় কৰে।'' বেজবৰুৱাৰ কবিতা সম্পৰ্কত সমালোচকে কৰা এই উক্তিৰ যথাৰ্থতা বিচাৰ কৰা। ১০

অথবা

(খ) কৃত্ৰিম মালিতা কি? বেজবৰুৱাৰ 'ধনবৰ আৰু বতনী'ক এই শ্ৰেণীৰ কবিতাত অন্তৰ্ভুক্ত কৰিব পাৰিনে? বিশ্লেষণ কৰা। ১০

৭। (ক) 'কৃপাবৰ বৰুৱাৰ ওভতনি'ৰ অন্তৰ্গত প্ৰবন্ধকেইটাৰ আলমত বেজবৰুৱাৰ গদ্যৰীতিৰ আভাস দিবলৈ যত্ন কৰা। ১০

অথবা

(খ) এই পৃথিৱীত পুনৰ অৱতাৰ লৈ ৰৱৰবৰুৱাই অসমৰ অৱস্থা কেনে দেখিছে, বৰ্ণনা কৰা। ১০

★ ★ ★